# গহনচন্দ্ৰ গোস্বামী



ড° স্বাধীনতা মহন্ত

*"শোণিত সুবাস"* ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ নীল কান্ত শৰ্মা
সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ
ৱাৰ্ড নং - ২, পিন ঃ ৭৯৪০০১,
ফোন ঃ ৯৪৩৫০০৬৬১০

গহনচন্দ্ৰ গোস্বামী ঃ গহনচন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৃতি
লেখিকা ঃ ড° স্বাধীনতা মহন্ত

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাৱ, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ২০১৩

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**ISBN 978-81-928326-2-3**

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাবৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

সুন্দৰ সুঠাম তেজগোৰা চেহেৰাৰ মানুহজন, খোলা হাঁহিটোৰে সকলোকে সদায় সম্ভাষণ জনাই আপোন কৰি ল'ব পৰা তেজপুৰ নিকামূল সত্ৰৰ সত্ৰাধিকাৰ গহনচন্দ্ৰ গোস্বামী আছিল ৰাজনৈতিক, সামাজিক, সাংগঠনিক, সাংস্কৃতিক - এই সকলো দিশতে এজন বিচক্ষণ পুৰুষ। স্বৰ্গীয় বিজয়চন্দ্ৰ ভাগৱতীদেৱে এখেতক 'মুক্তি যোদ্ধা, সেৱাব্ৰতী, কলা বিশাৰদ, নিকা ৰাজনৈতিক আদৰ্শৰ প্ৰতীক' আখ্যা দি থৈ গৈছে। ভাগৱতীদেৱৰ এইষাৰ বাক্যই তেখেতৰ সম্পূৰ্ণ জীৱন আলেখ্য প্ৰতিফলিত কৰিছে বুলিলে বঢ়াই কোৱা নহয়।

নিকামূল সত্ৰৰ ষষ্ঠজনা অধিকাৰ মঙ্গলচন্দ্ৰ গোস্বামীৰ একমাত্ৰ পুত্ৰ গহনচন্দ্ৰ। ১৯০০ চনৰ ৪ এপ্ৰিল, বুধবাৰ, কৃষ্ণা সপ্তমী তিথিত গহনচন্দ্ৰই জন্ম লাভ কৰে। মাতৃৰ নাম আছিল ডিম্বেশ্বৰী দেৱী। জন্মৰ এঘাৰ দিনৰ দিনা বিশিষ্ট দৈবজ্ঞই চাই তেওঁৰ নাম ভীমচন্দ্ৰ ৰাখিছিল। শৈশৱৰ পৰা তেওঁৰ স্বাভাৱিক আকৰ্ষণীয় গহীন স্বভাৱৰ বাবে ভীমচন্দ্ৰৰ পৰা তেওঁৰ নাম গহনচন্দ্ৰলৈ পৰিৱৰ্ত্তিত হ'ল আৰু সেই নামেৰেই স্কুলীয়া জীৱনৰ পৰা তেওঁ পৰিচিত হৈ পৰিল।

গহনচন্দ্ৰৰ দুগৰাকী বায়েক আছিল। ঘৰখনৰ একমাত্ৰ পুত্ৰ সন্তান হোৱা বাবে গহনচন্দ্ৰ আছিল সকলোৰে চকুৰ মণি। সত্ৰীয়া পৰিবেশৰ গহীনতা, শৈশৱৰ আনন্দ-উচ্ছ্বাস, খেল-ধেমালিৰ প্ৰাচুৰ্য্যভৰা উল্লাস - এই সকলোবোৰৰ সংমিশ্ৰণ ঘটিছিল তেওঁৰ চৰিত্ৰত। তেওঁৰ জন্মস্থান তেজপুৰ চহৰৰ গাতে লাগি থকা ঐতিহ্যপূৰ্ণ নিকামূল সত্ৰ। সত্ৰখনৰ এক সুকীয়া বুৰঞ্জী আছে। পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাবহ বৰ বাৰজনীয়া সত্ৰৰ অন্যতম সত্ৰ হ'ল নিকামূল সত্ৰ। সত্ৰখনিৰ জন্ম সম্পৰ্কে এনেদৰে পোৱা যায়- ''চাৰিকৃষ্ণৰ এক কৃষ্ণ শ্ৰীকৃষ্ণৰ পুত্ৰ বাপুৰামদেৱৰ পুত্ৰ স্বৰূপানন্দদেৱে ৰুদ্ৰসিংহ মহাৰাজৰ দিনত মাজুলীৰ বৰ্ত্তমান 'পোহা দিয়া' নামে ঠাইত নিকা নামে এজন প্ৰপন্ন ভকতৰ বাৰীত নিকামূল সত্ৰ স্থাপন কৰে। নিকাৰ বাৰীত স্থাপন কৰাৰ বাবেই সত্ৰৰ নাম নিকামূল সত্ৰ হ'ল বুলি জনা যায়। মানৰ আক্ৰমণৰ সময়ত সত্ৰখনি তুলি আনি কলং নৈৰ মুখত বাহৰ কৰি কিছুদিন ৰখা হয়। তাৰ পৰা কলঙেদি ভটিয়াই নগাঁও চহৰৰ চাৰি মাইল পূবে শিঙিয়া



পোতনি মৌজাৰ উৰিয়া গাঁৰত সত্ৰখনি বহুওৱা হয়। তাৰে পৰাই তেজপুৰ নগৰলৈ আহি বৰ্ত্তমান থকা ঠাইত পূৰ্বৰ আহিঁৰে সত্ৰ পতা হয়। ... তেজপুৰত এই সত্ৰ স্থাপন কৰা প্ৰথমজনা সত্ৰাধিকাৰ আছিল মাধৱানন্দদেৱ। তেৱাই ক্ষমতাশালী ডেকাবৰুৱা সকলৰ আহবানত মৰা ভৰলীৰ পাৰত এই সত্ৰ স্থাপন কৰে।'' (শ্ৰীশ্ৰী গহনচন্দ্ৰ গোস্বামী, পৃ. ০৬) এইখন সত্ৰৰে ষষ্ঠজনা অধিকাৰ মঙ্গলচন্দ্ৰৰ সুযোগ্য পুত্ৰ গহনচন্দ্ৰই শৈশৱৰ পৰাই জীৱনৰ লক্ষ্য আৰু সাধনাক গুৰুত্ব দি কৰ্ত্তব্য পথত আগৰণুৱা হৈছিল।

শৈশৱৰ কালচোৱা সত্ৰীয়া পৰিবেশত পাৰ হোৱা গহনচন্দ্ৰই খেল-ধেমালি, নৃত্যগীত, খোল বাদ্য, পঢ়া-শুনা সকলোতে নিজৰ পাৰদৰ্শিতা দেখুৱাব পাৰিছিল। তেওঁৰ স্কুলীয়া শিক্ষাৰ আৰম্ভণি হৈছিল তেজপুৰ চহৰৰ পৰা নাতিদূৰৰ ডেকাৰ গাঁও চুক প্ৰাথমিক বিদ্যালয়ত। উপযুক্ত শিক্ষক (প্ৰধান শিক্ষক ঁমাণিক চন্দ্ৰ মহন্ত দেৱ)ৰ তত্ত্বাবধানত তেওঁৰ প্ৰাৰম্ভিক বিদ্যা শিক্ষা যথাযথ ভাৱে আগবাঢ়ে। পঢ়াশুনাত একাগ্ৰতা আৰু বুদ্ধি বৃত্তিত প্ৰখৰতাৰ কথা প্ৰাথমিক শ্ৰেণীতেই শিক্ষকে তেওঁৰ চৰিত্ৰত দেখা পাইছিল।

তেওঁ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা যথা সময়ত শেষ কৰি তেজপুৰ চৰকাৰী মজলীয়া বিদ্যালয়ত ভৰ্ত্তি হয়। মজলীয়া বিদ্যালয়তো পূৰ্বৰ দৰে একান্ত মনোযোগী ছাত্ৰ হিচাবে তেওঁ শিক্ষকসকলৰ প্ৰিয়পাত্ৰ হ'ব পাৰিছিল। তদুপৰি, ইংৰাজী আৰু অসমীয়া ভাষাৰ সুন্দৰ হাতৰ আখৰেও তেওঁক শ্ৰেণীটোৰ ভিতৰতে ৰত্নৰ দৰে উজ্বলাই ৰাখিছিল। মজলীয়া বিদ্যালয়ত শিক্ষা লাভৰ অন্তত তেওঁ তেজপুৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত ভৰ্ত্তি হয় আৰু এজন মনোযোগী ছাত্ৰ হিচাবে পূৰ্বৰ দৰে নিজৰ পঢ়া শুনাত অগ্ৰসৰ হয়। কিন্তু, ইংৰাজী স্কুলৰ শিক্ষা তেওঁ অষ্টম শ্ৰেণীতে সমাপ্ত কৰে। ইয়াৰ কাৰণ আছিল, এখন সত্ৰৰ ভবিষ্যৎ সত্ৰাধিকাৰ হিচাপে তেওঁৰ বাবে ইংৰাজী শিক্ষাতকৈ সংস্কৃত সাহিত্য আৰু শাস্ত্ৰীয় শিক্ষাৰ অধিক প্ৰয়োজন। এই প্ৰয়োজনলৈ লক্ষ্য ৰাখি স্বৰ্গীয় ললিতচন্দ্ৰ চক্ৰৱৰ্ত্তীক তেওঁৰ বাবে সংস্কৃত অধ্যাপক নিযুক্ত কৰিছিল। অধ্যাপক চক্ৰৱৰ্ত্তীৰ ওচৰত গহনচন্দ্ৰই সংস্কৃত শিক্ষাৰ বুৎপত্তি লাভ কৰিছিল। সংস্কৃত সাহিত্যৰ প্ৰতি তেওঁৰ আগ্ৰহ ক্ৰমে বৃদ্ধি পাইছিল আৰু সিয়েই তেওঁক এজন শাস্ত্ৰজ্ঞ পুৰুষত পৰিণত কৰিছিল। সংস্কৃত অধ্যয়নত তেওঁৰ সহপাঠী আছিল তেজপুৰ বামুনচুবুৰী গাঁৰৰ প্ৰয়াত

অনন্ত দেৱ শৰ্মা।

সেই সময়ত সংস্কৃত শিক্ষাৰ বাবে দেশৰ ভিতৰতে অগ্ৰণী অনুষ্ঠান আছিল পশ্চিমবঙ্গৰ নৱদ্বীপ নামৰ ঠাইত। গহনচন্দ্ৰৰ এই শিক্ষাৰ প্ৰতি আগ্ৰহ আৰু অগ্ৰগতি দেখি অধ্যাপকে তেওঁক নৱদ্বীপলৈ যোৱাৰ পৰামৰ্শ দিলে। সেই অনুসৰি তেওঁ নৱদ্বীপলৈ অধ্যয়নৰ বাবে ৰাওনা হ'ল আৰু তিনিবছৰ গুণী-জ্ঞানী অধ্যাপক সকলৰ তত্বাবধানত সংস্কৃত শিক্ষা লাভ কৰিলে। লগতে, 'কবিৰত্ন' উপাধি লাভ কৰিবলৈও সক্ষম হ'ল। এই শিক্ষা গ্ৰহণতে তেওঁ সীমাৱদ্ধ হৈ নাথাকিল। নৱদ্বীপৰ বিদগ্ধ পণ্ডিত ৰাজগুৰু বিশ্বম্ভৰ গোস্বামী দেৱৰ তত্বাবধানত ছমাহ সময় শাস্ত্ৰীয় সঙ্গীতৰ চৰ্চ্চা, তবলা বেহেলা আদি বাদ্যৰ জ্ঞান আহৰণেৰে সঙ্গীততো শিক্ষিত হৈ নিকামুললৈ উলটি আহিল। তদুপৰি, সেই নৱদ্বীপতে চৈতন্য মহাপ্ৰভুৰ দ্বাৰা প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্মৰ সম্যক জ্ঞানো তেওঁ লাভ কৰে। তেওঁৰ দিগন্ত প্ৰসাৰিত মনৰ দিগন্তৰ ক্ষেত্ৰত নৱদ্বীপৰ বৰঙণিৰ কথা অস্বীকাৰ কৰিব নোৱাৰি।

গহনচন্দ্ৰৰ শৈশৱ আৰু কৈশোৰ বাবে ৰহনীয়া। দেউতাক মঙ্গলচন্দ্ৰই পুত্ৰৰ অক্ষৰ জ্ঞান হোৱাৰে পৰা সাঁচিপাতৰ কীৰ্ত্তন, ভাগৱত আদি নিজে পঢ়াৰ সময়তে কাইথেলী অসমীয়া আখৰৰ সৈতেও পৰিচয় কৰাই দিছিল। তেওঁ পিতাকৰ পৰা পুথি পাঠৰ সুৰ সঞ্চাৰৰো আভাস পাইছিল কুমলীয়া বয়সতে। সত্ৰীয়া পৰিবেশ, চৈধ্য প্ৰসঙ্গৰ নাম-পাঠ, গীত-মাতৰ প্ৰত্যক্ষ অভিজ্ঞতা তেওঁৰ হৈছিল যিবোৰ কথাই গহনচন্দ্ৰৰ পৰা সত্ৰাধিকাৰ 'শ্ৰীগহনচন্দ্ৰ গোস্বামী' হোৱাৰ সময়ত তেওঁৰ বাবে পৰোক্ষ সহায়ক হৈ পৰিছিল।

তেওঁৰ এঘাৰ বছৰ বয়স হওঁতেই পিতৃদেৱ স্বৰ্গগামী হ'ল। বাল্যকালতে পিতৃহাৰা হৈ তেওঁ নিজৰ শিক্ষা- দীক্ষাৰ লগতে ঘৰৰ গুৰু দায়িত্বও বহন কৰিব লগা হয়। শিক্ষাৰ অগ্ৰগতিত স্বাভাৱিকতে বাধা আহিল। জীৱনৰ এই কঠোৰ সময়চোৱাৰ কথা তেওঁ নিজে এনেদৰে লিপিৱদ্ধ কৰিছে - "অনেক জনম বাগৰি আহি মনুষ্য জনম লাভ কৰা হ'ল যদিও মোৰ দহ এঘাৰ বছৰ বয়সতে পূজনীয় পিতৃ পুৰুষ গৰাকীয়ে নিত্য ধামলৈ গমন কৰাত মোৰ জীৱনত মহা বিপৰ্য্যয়ে দেখা দিলে। মোৰ ওপৰত দুগৰাকী যৌৱনা বাই, বিধবা আই আৰু ঘৰুৱা কেইবাগৰাকীৰে সৈতে এটা শকত পৰিয়ালৰ বোজাৰে সৈতে 'সত্ৰ' নামৰ অনুষ্ঠানটিৰো পৰিচালনাৰ ভাৰ অব্যাহতে আহি



মোৰ ওপৰত পৰাত নানা বেমেজালিয়ে জুমুৰি মাৰি ধৰিলে। সেই সময়ত সত্ৰত কেইবাগৰাকীও বৃদ্ধ আৰু মুখ্য ভকত থকাৰ বাবে সত্ৰ পৰিচালনাৰ দায়িত্বৰ পৰা ৰক্ষা পোৱা হৈছিল। আমাৰ সত্ৰৰ পৰম্পৰামতে সত্ৰৰ চাৰিহটীয়া বৈষ্ণৱ সকলৰ দ্বাৰায়েই সত্ৰীয়া কাৰ্য্যসমূহ নিয়াৰিকৈ প্ৰৱৰ্ত্তি আহিছে। সেয়ে মোৰ নাবালক অৱস্থা স্বত্বেও সত্ৰীয়া কাৰ্য্যত কোনো ব্যাঘাত হ'বলৈ নাপালে, বৰং তেখেত সকলে মোক সকলো ফালৰ পৰা ৰক্ষণাবেক্ষণ দি উপযুক্ত কৰি গঢ়ি তুলিবলৈ যাবতীয় ব্যৱস্থা লৈছিল।" তেওঁৰ এনেধৰণৰ উক্তিৰ পৰা স্কুলীয়া শিক্ষাত আহি পৰা বাধা আৰু সত্ৰ আৰু চুবুৰীয়া লোকৰ আন্তৰিক সহায় সহানুভূতিৰ উমান পাব পাৰি।

বাল্যকালৰ পৰা দৃঢ় মনোবলৰ অধিকাৰী গহনচন্দ্ৰৰ যাত্ৰাপথত আহি পৰা প্ৰতিকূল পৰিস্থিতিয়েও তেওঁৰ জ্ঞান বিকাশত অথন্তৰৰ সৃষ্টি কৰিব পৰা নাছিল। এই ক্ষেত্ৰত নিকামূল সত্ৰৰ সৈতে জড়িত অন্যান্য সুধীজনৰ কথা অলপকৈ হ'লেও উল্লেখ কৰিব লাগিব। সেই সময়ত সত্ৰৰ চাৰিহাটী গুণী জ্ঞানী ভকতৰে ভৰপূৰ আছিল। তেওঁলোকৰ ভিতৰত বহু কেইজন সত্ৰীয়া কলা-কৃষ্টি, গীত-মাত প্ৰভৃতি গন্ধৰ্ববিদ্যাত বিশেষ পটু আছিল। তেওঁলোকৰ ভিতৰত স্বৰ্গীয় ঠানুৰাম বায়ন আৰু স্বৰ্গীয় লীলাৰাম গায়নৰ নাম উল্লেখযোগ্য। এওঁলোকৰ ওচৰত গহনচন্দ্ৰই বিভিন্ন ৰাগ আৰু খোল-তালৰ বোল শিকিছিল। ইয়াৰ উপৰি স্বৰ্গীয় গুণাৰাম নামলগোৱাৰ পৰা তেওঁ চাৰি প্ৰসঙ্গ কৰা নিয়ম প্ৰণালী, বৰগীত আৰু কীৰ্ত্তনৰ সুৰসঞ্চাৰ আদিৰ শিক্ষা লৈছিল।

১৯২১ চনৰ জানুৱাৰী মাহৰ আগভাগত তেওঁ নগাঁও জিলাৰ উৰিয়াগাঁৱত থকা সত্ৰ (নিকামূল সত্ৰ) লৈ গৈ প্ৰায় দহমাহ মান থাকি সত্ৰীয়া নাম-গুণ, পাঠ-প্ৰসঙ্গ, ভাওনা আদিৰ শিক্ষা লৈছিল। বৰদোৱা থানৰ উদাসীন আতৈ স্বৰ্গীয় নাৰায়ণচন্দ্ৰ নাম লগোৱাদেৱৰ কথাও তেওঁ সত্ৰীয়া শিক্ষা প্ৰসঙ্গত নিজে উল্লেখ কৰি থৈ গৈছে। শ্ৰুতি, স্মৃতি, নামঘোষা আদিৰ মূল তত্ববোৰৰ বিষয়ে গোলাঘাটৰ স্বনামধন্য স্বৰ্গীয় গোপীকাবল্লভ গোস্বামীৰ পৰা বিস্তৃত ভাৱে শিক্ষা লাভ কৰিব পাৰিছিল। এনেদৰে পৰ্য্যায়ক্ৰমে ভাষা শিক্ষাৰ পৰা আৰম্ভ কৰি শাস্ত্ৰীয় শিক্ষালৈকে তেওঁ সকলোবোৰ শিক্ষাতে বুৎপত্তি লাভ কৰি নিকামূল সত্ৰৰ দৰে এখন ঐতিহ্যমণ্ডিত সত্ৰৰ উপযুক্ত সত্ৰাধিকাৰ হ'ব

পাৰিছিল।

ডেকাৰ গাঁও প্ৰাথমিক স্কুলৰ শিক্ষাগুৰু কেতেকীবাৰী চিপহা সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় মাণিকচন্দ্ৰ মহন্তৰ কন্যা পুষ্পলতাৰ লগত ১৯৩০ চনত তেওঁৰ বিয়া হয়। এক সংস্কৃতিবান পৰিয়ালৰ কন্যা আছিল পুষ্পলতা। পুষ্পলতা আছিল সৰ্বসুলক্ষণী আৰু গৃহস্থী কৰ্মত সুনিপুণ। অনাড়ম্বৰ ভাবে পৰিয়াল পৰিচালনা কৰা পুষ্পলতাই স্বামীৰ বাবে নিজহাতে সুতা কাটি চুৰিয়া, চেলেং, গামোছা আদি বৈ দিছিল। তেওঁলোকৰ সাতটি উপযুক্ত সন্তানৰ ভিতৰত হিৰণ্ময়ী মহন্ত (সোণ) আছিল সকলোতকৈ ডাঙৰ। তেওঁৰ পিছত ক্ৰমে দেৱযানী মহন্ত, স্বৰ্গীয় সত্যব্ৰত দেৱ গোস্বামী, কিৰণময়ী মহন্ত, পূণ্যব্ৰত দেৱ গোস্বামী, দিপ্তীময়ী (দীপ), আৰু সৌজন্যময়ী (হিৰা) মহন্তই নিকামূল সত্ৰৰ পৰম্পৰা আৰু অসমীয়া সমাজজীৱনৰ সকলো শিক্ষা পিতৃ-মাতৃৰ পৰা লাভ কৰি পিছলৈ একো একোখন সুখৰ সংসাৰ কৰিবলৈ সক্ষম হৈছে। প্ৰখৰ বুদ্ধিৰ অধিকাৰী এই সন্তানকেইটি সত্ৰীয়া সংস্কৃতিতো পাকৈত। তেওঁৰ কনিষ্ঠ পুত্ৰ পূণ্যব্ৰত দেৱ গোস্বামী বৰ্তমান অসমৰ সত্ৰীয়া সংস্কৃতিৰ এজন নামজ্বলা সাধক, প্ৰচাৰক আৰু প্ৰসাৰক। শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত সমূহক ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ অন্তৰ্ভূক্ত কৰাৰ দিশত তেওঁৰ অৰিহণা লেখত ল'বলগীয়া। পিতৃ পুৰুষৰ সুকণ্ঠৰ উত্তৰাধিকাৰী পূণ্যব্ৰতে সঙ্গীত চৰ্চাৰ উপৰি সত্ৰ পৰিচালনা, পৰ্বত-ভৈয়াম সম্প্ৰীতি ৰক্ষা, শিষ্য-প্ৰশিষ্যক ভক্তি মাৰ্গ প্ৰদৰ্শন কৰা আদি কামত নিজকে নিয়োজিত কৰিছে। বচনত সুমধুৰ গোসাঁইৰ জ্যেষ্ঠ পুত্ৰ স্বৰ্গীয় সত্যব্ৰতো আছিল সত্ৰীয়া সংস্কৃতিৰ সাধক, বৃত্তিত জামুগুৰিহাট ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ উপাধ্যক্ষ। চাকৰি কালৰ অৱসৰৰ পিছত তেওঁ নিকামূলৰ সত্ৰাধিকাৰ হয় যদিও বেচিদিন সত্ৰ পৰিচালনা কৰিবলৈ নাপালে। কেইবছৰমান পিছতে তেওঁ বৈকুণ্ঠগামী হয়।

অসহযোগ আন্দোলনৰ আৰম্ভনিৰ প্ৰায় লগে লগেই নিকামূল সত্ৰ কংগ্ৰেছৰ এটা প্ৰধান ঘাটিত পৰিণত হৈছিল। সঘনাই হৈ থকা সমদল, আলোচনা, শিবিৰ আদি অনুষ্ঠানৰ সকলোবোৰ আভ্যন্তৰীণ পৰিচালনাৰ দায়িত্ব ভাৰ পুষ্পলতাই স্বেচ্ছাই মূৰ পাতি লোৱাত গোস্বামীদেৱে সত্ৰ পৰিচালনা আৰু দেশৰ কামত আগবাঢ়ি যোৱাত সুবিধা লাভ কৰিলে।



এখন ঐতিহ্যপূৰ্ণ সত্ৰৰ অধিকাৰ হিচাপে গোস্বামীদেৱ আছিল প্ৰাচীন সত্ৰীয়া ঐতিহ্যৰ ধাৰক আৰু বাহক। তথাপিও তেওঁৰ মনটো আছিল নতুনক আদৰি ল'ব পৰা গতিশীল, অগ্ৰগামী। এনে মহৎ গুণৰ বাবে সত্ৰাধিকাৰ গৰাকী আছিল সমাজৰ সকলো শ্ৰেণীৰ লোকৰেই বৰণীয় আৰু আদৰণীয়। হাজাৰ প্ৰমাণ ঐশ্বৰ্য্যশালী শিষ্যৰ বাবে মুকুতামণি হৈও, ৰাজকীয় আড়ম্বৰে জীৱন আৰম্ভ কৰিও মহাত্মা গান্ধীৰ দৰ্শন লাভ কৰাৰ পিছৰ পৰাই সকলো আড়ম্বৰ ত্যাগ কৰি তেওঁ স্বেচ্ছাই নিঃস্ব জনৰ পৰ্য্যায়লৈ নামি আহিছিল আৰু সকলোৰে মাজৰ এজন হৈ পৰিছিল।

পিতৃ স্বৰ্গীয় মঙ্গলচন্দ্ৰৰ দিনত অবিভক্ত দৰং জিলাৰ ভিতৰতে নিকামূল সত্ৰখন ধৰ্ম আৰু সংস্কৃতি তথা কলা-কৃষ্টিৰ সাধনাৰ মুখ্য কেন্দ্ৰ আছিল। পুত্ৰ গহনচন্দ্ৰই এই গৌৰৱ অক্ষুণ্ণ ৰাখিব পাৰিছিল। বাল্য আৰু কিশোৰ কালত পিতৃৰ পৰা লাভ কৰা সত্ৰীয়া আৰু পাৰিবাৰিক প্ৰভাৱে তেওঁৰ জীৱনত যি বুনিয়াদ ৰচনা কৰিছিল সিয়েই পৰৱৰ্ত্তী সময়ত তেওঁক হাজাৰ ভকত সজ্জনৰ 'প্ৰভু' কৰি তুলিছিল। তেওঁৰ গুণত আকৃষ্ট হৈ অসমৰ ভিন্ ভিন্ জিলাৰ লোকেও তেওঁৰ ওচৰত শৰণ ভজন গ্ৰহণ কৰিছিল।

দৈনিক নাম প্ৰসঙ্গ, সৎসঙ্গ, সদালাপ আৰু সত্ৰীয়া সংস্কৃতিৰ অভ্যাস অনুশীলন আদি সত্ৰৰ দৈনন্দিন কাৰ্য্যসূচীৰ কোনো ব্যতিক্ৰম হ'বলৈ তেওঁ দিয়া নাছিল। তিথিয়ে ভাওনাই সবাহে অনেকজন ভক্ত সজ্জনৰ সমাবেশ হৈছিল। সত্ৰাধিকাৰ হিচাবে তেওঁ আছিল নৈষ্ঠিক আৰু উদাৰ। সকলো জাতি উপজাতিক একেখন মঞ্চতে বহুৱাই ঐক্য-সম্প্ৰীতি ৰক্ষা কৰিবলৈ তেওঁ অনেক প্ৰযত্ন কৰিছিল।

১৯৭১ চনৰ ২৮ আৰু ২৯ চ'তত অনুষ্ঠিত 'সদৌ নিকামূল সত্ৰৰ সমূহ ভকতৰ অভিবৰ্ত্তন'ত যোগ দিবলৈ উত্তৰ লক্ষীমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও, কলিয়াবৰ, গহপুৰ, কলংপুৰ, চাৰিআলি, চতিয়া, জামুগুৰি, গুৱাহাটী আদিৰ ভকতৰ উপৰি অৰুণাচল প্ৰদেশৰ কামেং আৰু চিয়াং জিলাৰ প্ৰতিনিধিয়েও ভাগ লৈছিল। তেজপুৰ অঞ্চলৰ ভকতৰ সংখ্যা সৰ্বাধিক আছিল। আদৰণী ভাষণত গোস্বামী দেৱে কৈছিল - "শ্ৰীমন্ত শঙ্কৰ গুৰুজনাৰ প্ৰবৰ্তিত ধৰ্মৰ বিকাশ সাধনত নিকামূল সত্ৰই সেৰা ধৰি আহিছে। ব্ৰহ্মচাৰী মাধৱানন্দদেৱে মহাপুৰুষ

গুৰুজনাৰ বাণী শিৰত লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে, আনকি জনজাতীয় অঁকা, ডফলা ৰাইজৰ মাজতো সেই পবিত্ৰবাণী প্ৰচাৰি আত্মনিয়োগ কৰিছিল। আজিকোপতি নিকামূল সত্ৰৰ ভকত বান্ধৱসকলৰ ভিতৰত পবিত্ৰ মৈত্ৰীভাৱ জীৱন্ত হৈ বৰ্ত্তি থাকিব পাৰিছে।'' জীৱনৰ অন্তিম সময়লৈকে তেওঁৰ মনত সমন্বয়ৰ এই আকাংখ্যা বৰ্ত্তি আছিল।

ভাৰতৰ মুক্তিযুঁজত গহনচন্দ্ৰ গোস্বামীদেৱৰ ভূমিকা সম্পৰ্কে স্বৰ্গীয় বিজয়চন্দ্ৰ ভাগৱতীদেৱে এটি সুন্দৰ আৰু যথাৰ্থ মন্তব্য আগবঢ়াইছে ''অসহযোগ আন্দোলনৰ নীতি আদৰ্শৰে অনুপ্ৰাণিত হৈ, সেই আন্দোলনৰ পৰা গহন গোস্বামীৰ আবিৰ্ভাৱ হ'ল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা আৰম্ভ কৰি ১৯৪২-৪৫ চনৰ 'ভাৰত ত্যাগ' আন্দোলনলৈকে কেউটা আন্দোলনতে গোসাঁইদেৱে দৃঢ়তাৰে একান্তভাৱে সমানেই কৰ্মী আৰু নেতাৰ দায়িত্ব পালন কৰিছিল। স্বাধীনতা আন্দোলনৰ গঠনমূলক কামৰ শিক্ষা, গহন চন্দ্ৰ গোস্বামীদেৱে স্বাধীনতাৰ পিছতো সেই ভাবৰ প্ৰেৰণাতে কাম কৰি আছিল। গোস্বামীদেৱ আছিল ''মুক্তিযোদ্ধা, সেৱাব্ৰতী, কলা বিশাৰদ, নিকা ৰাজনীতিক আদৰ্শৰ প্ৰতীক''।

গোস্বামীদেৱৰ চূড়ান্ত সংগঠন শক্তি, আত্মত্যাগ, অফুৰন্ত মনোবল আৰু স্বদেশপ্ৰেম ১৯৪২ চনৰ গণ-আন্দোলনত পৰিস্কাৰ ৰূপত প্ৰকাশ পায়। ই আছিল তেওঁৰ বিপ্লৱী জীৱনৰ স্বচ্ছ দাপোণ। গোস্বামীদেৱৰ নেতৃত্বত তেজপুৰত মুক্তিযুঁজৰ অনেক কাৰ্য্যসূচী হাতত লোৱা হ'ল। তিনিদফীয়া কাৰ্য্যসূচীৰ প্ৰথম দফাত তেওঁৰ বিশেষ সহযোগী আছিল জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিহাৰৰ যোগেশ মিশ্ৰ। তেওঁলোকৰ প্ৰথম কাম আছিল গাঁৱে গাঁৱে কৰ্মী সংগঠন, দ্বিতীয়তে থানা আৰু কাছাৰী ঘৰৰ ওপৰত জাতীয় পতাকা উত্তোলন, তৃতীয়তে মৃত্যু বাহিনী গঠন কৰি কুটাঘাতমূলক কাৰ্য্যৰ দ্বাৰা যুদ্ধৰ প্ৰচেষ্টাত বাধা প্ৰদান। তেওঁৰ ৰাজনৈতিক জীৱনত ঘৰখনৰ অৱস্থা আৰু তেওঁৰ সাহসী পদক্ষেপৰ লগতে তেওঁৰ জনপ্ৰিয়তা, নেতৃত্বৰ পাৰদৰ্শিতাৰ কথা জ্যেষ্ঠ কন্যা হিৰন্ময়ী মহন্তই এনেদৰে স্মৰণ কৰিছে - ''সেই সময়ৰ ভয়াবহ দিনবোৰৰ কথা মনত পৰিলে এতিয়াও গা সিঁঞৰি উঠে। কোনোবা দিনা দিনটোতে দুই তিনিবাৰকৈ চিপাহী মিলিটেৰীবোৰ সত্ৰলৈ পিতৃ দেৱতাক বিচাৰি



আহি দম-দমাই হুলস্থূল লগাই গুচি গৈছিল। ......''১৯২১ চনৰ পৰা মহাত্মা গান্ধীৰ সত্যাগ্ৰহ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰা পিতৃজনাক ১৯৩২ চনত প্ৰথম বাৰৰ বাবে গ্ৰেপ্তাৰ কৰি প্ৰথমে তেজপুৰ জেলতে ৰাখে। নিজ ব্যক্তিত্বৰে প্ৰতিজন ব্যক্তিৰ অন্তৰ জয় কৰিবলৈ সমৰ্থ হোৱা শ্ৰদ্ধাস্পদ সত্ৰাধিকাৰ গৰাকীক গ্ৰেপ্তাৰ কৰাত তেখেতৰ দৰ্শন লাভৰ বাবে শিষ্য-প্ৰশিষ্য, আত্মীয়-স্বজনৰ কাৰাগাৰত ভীৰ আৰম্ভ হয়। উপায়ান্তৰ হৈ কাৰাগাৰ কৰ্তৃপক্ষই তেওঁক শিলচৰ কাৰাগাৰলৈ স্থানান্তৰ কৰে। চৰকাৰৰ হুকুম মতে তেখেতক ৩য় শ্ৰেণীৰ বন্দী হিচাবে এবছৰ সশ্ৰম কাৰাদণ্ডৰ উপৰি ৫০০ টকাৰ জৰিমনা বিহে। সেই সময়ত মহাত্মা গান্ধীৰ নিৰ্দ্দেশ আছিল জৰিমনাৰ টকা চৰকাৰক নিদিবৰ বাবে। জৰিমনাৰ ধন আদায়ৰ অজুহাতত খুটিৰ গৰু-ম'হ, ভিতৰৰ সকলো ধৰণৰ সম্পত্তি যেনে- কাঁহ-পিতলৰ বাচন, লোহাৰ আলমাৰী, চকী - মেজ - পালেং ইত্যাদি সকলো বস্তু নিচেই সামান্য দামত নীলাম কৰি সেই মূল্যৰে জৰিমনাৰ টকা আদায় নোহোৱা দেখুৱাই ঘৰৰ টিনপাত আৰু প্ৰায় আশী বিঘা ৰূপীত মাটি নাম মাত্ৰ মূল্যত নীলাম কৰি দি পৰিয়ালটিক এটা গভীৰ অৰ্থ সঙ্কটত পেলায়। ....এবছৰৰ মূৰত পিতৃজনা যেতিয়া কাৰাগাৰৰ পৰা মুকলি হৈ ঘৰলৈ উভতি আহে, তেতিয়ালৈকে আমাৰ ঘৰত বহিবলৈ এখনি চকী, ভাত খাবলৈ এখনি কাঁহৰ কাহীও নাছিল। .... ১৯৪১ চনত দ্বিতীয় বাৰ সত্যাগ্ৰহৰ জৰিয়তে পিতৃজনাই ছমাহৰ বাবে কাৰাবৰণ কৰে। তেতিয়াৰ দিনৰ সত্যাগ্ৰহ এতিয়াৰ দিনতকৈ বেলেগ আছিল। ৰাজহুৱা সভাত চৰকাৰৰ বিৰুদ্ধে ভাষণ দিয়াৰ পিছত পুলিচে পিতৃদেৱক গ্ৰেপ্তাৰ কৰি তেজপুৰ কাৰাগাৰত প্ৰথম শ্ৰেণীৰ বন্দী হিচাপে ৰাখিছিল। ....১৯৪০ চনত সত্ৰৰ কাষৰে বৰবাকৰিত এখনি ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছিল। চাৰিদিনীয়াকৈ পালন কৰা সন্মিলন খনিত প্ৰদেশ কংগ্ৰেছৰ সকলো বিষয়ববীয়াৰ উপৰি ভাৰতৰ বিভিন্ন স্থানৰ বিশিষ্ট নেতা সকলেও অংশ গ্ৰহণ কৰিছিল। এই সন্মিলনৰ সকলো প্ৰকাৰৰ পৰিচালনাৰ ভাৰ তেখেতৰ ওপৰত আছিল। ......৪০ চনৰে ভাদমাহৰ কোনোবা এটা পবিত্ৰ তিথিৰ কথা। সেই সময়ত পিতৃজনাক পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ আহি তেখেতৰ নাম প্ৰসঙ্গ শুনি ভক্তিত আপ্লুত হৈ নিজ অজ্ঞতাৰ বাবে ক্ষমা খুজি উলটি গ'ল। ....১৯৪৪

চনত ৩য় বাৰৰ বাবে গ্ৰেপ্তাৰ বৰণ কৰাৰ পাচত সময় শেষ হোৱাৰ আগতেই পিতৃজনাক কৰ্ত্তৃপক্ষই সকলো ধৰণৰ সভা-সমিতি, ৰাজহুৱা অনুষ্ঠানত যোগদানত নিষেধাজ্ঞা জাৰি কৰি সত্ৰৰ ভিতৰতে গৃহবন্দী কৰি ৰাখে।'' দেশৰ প্ৰতি গোস্বামীদেৱৰ এনে আত্মত্যাগ সকলোৰে বাবে প্ৰেৰণাদায়ক।

ৰাজনৈতিক জীৱনত গোস্বামীদেৱৰ বাবে কেইটামান উল্লেখনীয় বছৰ-

১৯২১ ঃ গান্ধীজীৰ দৰ্শন লাভ আৰু তেওঁৰ দ্বাৰা প্ৰভাবান্বিত, কংগ্ৰেছত যোগদান।

১৯২৬ ঃ গুৱাহাটীৰ পাণ্ডুত অনুষ্ঠিত জাতীয় কংগ্ৰেছৰ অধিবেশনত তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি হিচাবে সতীৰ্থ সকলৰ সৈতে যোগদান

১৯৩০ ঃ অসমৰ জিলাই জিলাই গঢ়ি উঠা জাতীয় বিদ্যালয়ৰ আৰ্হিত স্থাপন হোৱা তেজপুৰ একাডেমীলৈ বিভিন্ন প্ৰকাৰৰ বৰঙণি

১৯৩১ ঃ প্ৰদেশ কংগ্ৰেছৰ নিৰ্দ্দেশ অনুযায়ী ২৬ জানুৱাৰীত স্বাধীনতা দিৱস পালন কৰি প্ৰকাশ্যে স্বাধীনতাৰ সঙ্কল্প গ্ৰহণৰ কাৰ্য্যসূচীৰ নেতৃত্বত অমিয় কুমাৰ দাস আৰু জ্যোতি প্ৰসাদ আগৰৱালাৰ সৈতে আছিল গোস্বামীদেৱ

ঃ সেৱাদল শিবিৰৰ পৰা জেল হাজোতলৈ

১৯৪১ ঃ ছমাহৰ বাবে কাৰাবৰণ

১৯৪২ ঃ জিলা কংগ্ৰেছৰ সভাপতি

১৯৪৪ ঃ তৃতীয় বাৰৰ বাবে গ্ৰেপ্তাৰ বৰণ

১৯৫২ ঃ বিধান সভাৰ (গহপুৰ সমষ্টি) সদস্য

১৯৭২ ঃ নিৰ্বাচিত ভাৰত চৰকাৰৰ প্ৰদত্ত মুক্তি যুঁজাৰুৰ তাম্ৰপত্ৰ লাভ

অতি কম সময়ৰ ভিতৰতেই তেওঁ সাংগঠনিক দক্ষতা লাভ কৰিব পাৰিছিল। তেজপুৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিব পৰা ক্ষমতাই এই কথা প্ৰমাণ কৰে। তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি স্বৰ্গীয় মহাদেৱ শৰ্মা কলিকতাত থকা সময়চোৱাত ('অৰুণ' নামৰ শিশু আলোচনীখন প্ৰকাশৰ সংক্ৰান্তত) তেজপুৰ কাৰ্য্যালয় চম্ভালিব লগা হোৱা প্ৰসঙ্গত তেওঁ লিখিছে- ''বেছেৰীয়াৰ চন্দ্ৰকুমাৰ নাথ, টাউনৰ ৰুদ্ৰকান্ত বৰা



আৰু মই এই তিনি পুৰুষেই তেজপুৰ কংগ্ৰেছৰ ইফাল সিফাল কৰি ফুৰা লোক আছিলোঁ'।

পুৰণি আৰু নতুনৰ যথাৰ্থ সংমিশ্ৰণত হে এখন সমাজ নিৰোগী হৈ জীয়াই থাকে। গহনচন্দ্ৰ গোস্বামী এই চিন্তাৰ প্ৰতি শ্ৰদ্ধাবান আছিল। তেওঁৰ সংস্কাৰকামী মনটোক কোনো প্ৰতিকূলতাই বাধা দিব পৰা নাছিল। ত্ৰিশৰ দশকত জাতীয় আন্দোলনত লাগি থাকোঁতেই সহকৰ্মীসকলৰ মাজত থকা কৃত্ৰিম জাতিভেদ, আচাৰ-অনুষ্ঠানৰ বিপৰীতে কাম হাতত ল'বলৈ আঁচনি লয়। শাস্ত্ৰ আৰু যুক্তিৰ সহায়ত, ৰাইজৰ মাজত অলোচনা কৰি তেওঁ সংস্কাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই উদ্দেশ্যে তেজপুৰ অঞ্চলত তেওঁৰ তত্বাবধানত সভা-সমিতি, আলোচনা আদি অনুষ্ঠিত হৈছিল।
(সম্ভৱত ঃ কংগ্ৰেছত যোগ দিয়াৰ দিনাৰ পৰাই) তেওঁ নিকামূল সত্ৰৰ দুৱাৰ সৰ্ব বৰ্ণৰ কাৰণে মুকলি কৰি দিছিল। তেওঁৰ মতে যি নীতি সমাজৰ মিলনৰ পৰিপন্থী, সেই নীতিৰ আমূল পৰিবৰ্ত্তন হোৱাটো বিশেষ দৰ্কাৰ। সেয়ে তেওঁ নিজৰ সত্ৰখনিতেই সাম্য-মৈত্ৰীৰ জয়গানৰ প্ৰথম সুৰ আৰোপিত কৰিছিল। তদুপৰি তেওঁ এক ধৰ্মীয় সামাজিক বিপ্লৱৰ সূচনা কৰিছিল বুলি ক'লেও ভুল কোৱা নহ'ব। কাৰণ, বিৰোধী পক্ষই সামাজিক বৰ্জনৰ ভয় দেখুওৱা স্বত্বেও তেওঁ কেইবাখনো গাঁৱৰ বিভিন্ন জাতিৰ লোকক লৈ সফলতাৰে বিৰাট ভাওনা অনুষ্ঠিত কৰে। এই কামৰ বাবে নিকামূলৰ প্ৰয়াত ভদি কেওঁট, সোমনাথ কোছ, সৰু কোছ, পদ্মৰাম দাস, কনক বৰা আদিৰ লগতে সমূহ মাজগাঁও আৰু বৰালীমৰাৰ ৰাইজৰ উদ্যম ভৰা সহযোগৰ কথা উল্লেখ কৰিব লাগিব।

ভাৰতৰ স্বাধীনতা সংগ্ৰামী, প্ৰথিতযশা নিষ্ঠাবান সমাজসেৱক প্ৰয়াত বি, কে ভাণ্ডাৰী, লোকনায়ক প্ৰয়াত অমিয়কুমাৰ দাস আদিৰ সংস্পৰ্শলৈও আহি গোস্বামীদেৱে মানৱ সেৱাৰ বাবে, সমাজৰ অন্ধ সংস্কাৰ গুচাবৰ বাবে দুগুণ উৎসাহেৰে কাম কৰিছিল। তেওঁ 'অসম সেৱা সমিতি'ৰ প্ৰতিষ্ঠাতা সদস্য আছিল। সেই সময়ৰ প্ৰাক্তন চাহ বনুৱাসকলৰ শিক্ষা-দীক্ষা, আৰ্থিক অৱস্থা আদি সকলো দিশৰে অনগ্ৰসৰতা গুচাবৰ বাবে সেই সমিতিৰ জৰিয়তে তেওঁ চেষ্টা কৰিছিল।

অৰুণাচল প্ৰদেশৰ (তেতিয়াৰ 'নেফা') পাহাৰী জনগোষ্ঠীৰ ছাত্ৰসকলক শংকৰী সংস্কৃতিৰ প্ৰশিক্ষণ দি দিল্লীৰ ৰাজদৰবাৰত 'পাৰিজাত

হৰণ' নাটকৰ অভিনয় কৰোৱা, সীমান্তত কেইবাখনো সত্ৰ স্থাপন কৰি সত্ৰীয়া সংস্কৃতি প্ৰচাৰৰ জৰিয়তে পৰ্বত ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰীদাল মজবুত কৰিলে। তদুপৰি, তেওঁৰ আশাসুধীয়া প্ৰচেষ্টাতেই চৰকাৰী অনুদান লাভ কৰি নিকামূল সত্ৰত এটা, ঘাৰমৰা সত্ৰৰ তলত লক্ষীমপুৰত তিনিটা আৰু দিনজয় সত্ৰতো পাহাৰীয়া ছাত্ৰৰ বাবে আৱশ্যকীয় ছাত্ৰাবাস গঢ়ি উঠে। উল্লেখযোগ্য যে নিকামূল সত্ৰৰ ছাত্ৰাবাসত ১৯৬৫ চনৰ পৰা ২৫ জনকৈ ছাত্ৰ থাকি বহু কেইটা দলে ইতিমধ্যে শঙ্কৰী সংস্কৃতিৰ প্ৰশিক্ষণ আৰু তেজপুৰ কলেজিয়েট হাইস্কুলত সাধাৰণ শিক্ষা লাভ কৰিছে। সত্ৰ কেইখনিৰ বাহিৰেও 'সোৱণশিৰি সেৱা শ্ৰম'তো গিৰিবাসী ছাত্ৰ-ছাত্ৰীৰ এনে প্ৰশিক্ষণৰ ব্যৱস্থা আছে। এই কেন্দ্ৰটিৰ প্ৰতিষ্ঠা কালৰ (১৯৬৭) সভাপতি আছিল গহনচন্দ্ৰ গোস্বামীদেৱ। অৰুণাচলবাসী শিষ্য-ভকতৰ মাজলৈ তেখেত প্ৰায়ে গৈছিল আৰু তেওঁলোকেও গোসাঁইৰ সৈতে মধুৰ সম্পৰ্ক ৰক্ষা কৰি চলিছিল।

মহাপুৰুষীয়া ধৰ্মৰ মূল বাণীসমূহ আৰু মহামানৱ মহাত্মাগান্ধীৰ বাণীসমূহ তেওঁ আপাটানী ভাষাত ছপাই বিনামূলীয়াকৈ বিতৰণ কৰিছিল। চিয়াং জিলাৰ গালং কথিত ভাষাতো তেওঁ এখন ধৰ্মীয় পুস্তক ছপা কৰি বিতৰণ কৰে। পাহাৰীয়া জনজাতিসকলৰ ভাষাৰ শুদ্ধ জ্ঞান থকা বাবেই তেওঁ এনে কাম সুচাৰুৰূপে কৰিব পাৰিছিল। ভাষাৰ মাধ্যমেৰেও তেওঁ এই ভাই-ভনীসকলৰ নিচেই ওচৰ চাপিব পাৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সফল পৰিসমাপ্তিৰ পিছত কংগ্ৰেছৰ ফালৰ পৰা গহপুৰ সমষ্টিৰ বিধায়কৰ বাবে গহনচন্দ্ৰ গোস্বামীৰ নামটি মনোনয়ন কৰা হৈছিল। ১৯৫১ চনৰ ২৮ আগষ্ট তাৰিখে তেওঁ ৰাইজৰ আহ্বানত নিজৰ অনিচ্ছা স্বত্বেও মনোনয়ন পত্ৰ দাখিল কৰিলে। তেওঁৰ হাতত পইচাকড়ি নাছিল। শ্ৰীকান্ত শৰ্মা আৰু নিৰোদ বৰণ দাসে কামাখ্যাপ্ৰসাদ ত্ৰিপাঠীৰ পৰা আমানতৰ ধন লৈহে মনোনয়ন পত্ৰ দাখিল কৰাইছিল। এই গৰাকী জনসেৱকে নিৰ্বাচনত বিপুল ভোটেৰে জয় লাভ কৰিছিল।

বিধান সভাৰ মজিয়াত দাঙি ধৰা তেওঁৰ জনহিতকৰ কামৰ আঁচনি (যেনে সৰ্বসাধাৰণ ৰাইজৰ যাতায়তৰ ব্যৱস্থা, মানুহ আৰু পশুধনৰ চিকিৎসালয়, স্ত্ৰী শিক্ষা, সাধাৰণ শিক্ষা, চাহবনুৱাৰ সৰ্বময় উন্নতি, গ্ৰাম্যাঞ্চলত খোৱাপানীৰ যোগান আদি)ৰ অধিকাংশই চৰকাৰে কাৰ্য্যত পৰিণত কৰিছিল।



তেওঁৰ কাৰ্য্যকালত যাতায়াত ব্যৱস্থাৰ উল্লেখযোগ্য উত্তৰণৰ উদাহৰণ হ'ল - ১৯৫৭ চনৰ এক জানুৱাৰীত উত্তৰ গুৱাহাটীৰ পৰা লক্ষীমপুৰলৈ ৰাজ্যিক পৰিবহনৰ প্ৰথমখন বাছ চলাৰ শুভাৰম্ভ তেওঁ কৰিছিল। তেওঁৰ আঁচনি অনুসৰিয়েই উত্তৰ ট্ৰাঙ্কৰোডৰ উন্নয়ন সাধিত হৈছিল আৰু যাতায়তৰ সূচল ৰাইজে ভোগ কৰিবলৈ পাইছিল। সেই সময়ত তেওঁ আছিল গহপুৰ সমষ্টিৰ বিধায়কৰ উপৰি তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি।

বিধান সভাৰ বৈঠক আৰু সদন সভাৰ বৈঠকবোৰত বিধায়ক গোস্বামীদেৱে এদিনো বাদ নিদিয়াকৈ উপস্থিত আছিল। তেওঁ ঘাইকৈ ভিতৰুৱা অঞ্চলৰ যাতায়ত ব্যৱস্থাৰ উন্নতিকল্পে চেষ্টা কৰিছিল। গহপুৰ অঞ্চলত তেওঁৰ সময়চোৱাত কেইবাটাও জনহিতকৰ আঁচনি আৰু অনুষ্ঠান গঢ় লৈ উঠে। ছয়দুৱাৰ হাইস্কুল, জ্যোতি আগৰৱালা হাইস্কুল, কনকলতা আদৰ্শ কন্যা বিদ্যালয়, ছয়দুৱাৰ মহাবিদ্যালয় আদি শিক্ষানুষ্ঠান সমূহৰ লগত তেওঁ বিভিন্ন প্ৰকাৰে জড়িত হৈ আছিল। তেওঁৰ বৰঙণিৰ কথা এই শিক্ষানুষ্ঠান সমূহে কেতিয়াও পাহৰিব নোৱাৰে।

১৯৫৭ চনত তেওঁৰ বিধান সভাৰ কাৰ্য্যকালৰ অন্ত পৰাত ৰাইজে তেওঁলোকৰ যোগ্য প্ৰতিনিধিগৰাকীক দ্বিতীয়বাৰ বিচাৰিলেও তেওঁ আৰু মন নেমেলিলে। কাৰণ, তেওঁ 'বিধায়ক' হোৱাটো ৰাইজৰ সেৱাৰ সুযোগ বুলিহে ভাবিছিল, কোনো পদবী বুলি নহয়। সেইবাবে এটা কাল (term) শেষ হোৱাৰ পিচত তেওঁ মুকলিমুৰীয়াকৈ ৰাইজৰ সেৱাতে ব্ৰতী হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। তদুপৰি, সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লৈ তেওঁ উঠি পৰি লাগিছিল সত্ৰসমূহৰ সেৱাত। দুজনা গুৰুৰ আদৰ্শৰে সত্ৰসমূহক তেওঁ গঢ় দিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। বেচি ভাগ কামতে ভক্ত সকলৰ লগত তেওঁ নিজেও আছিল। বৈষ্ণৱসমাজে তেওঁক 'বৈষ্ণৱাচাৰ্য্য' আৰু বিশ্বহিন্দু পৰিষদে 'ধৰ্মৰত্ন' উপাধিৰে সন্মানিত কৰিছিল। উল্লেখযোগ্য যে গোস্বামীদেৱে অসমৰ বৈষ্ণৱ ধৰ্মৰ গণতান্ত্ৰিক ৰূপটোক প্ৰতিষ্ঠা কৰি থৈ গ'ল। তেওঁৰ মতে "গুৰুজনাই বহুতো সম্ভাৰেৰে আমাৰ সাংস্কৃতিক ভাণ্ডাৰত অফুৰন্ত সম্পদ দি থৈ গৈছে। আমাৰ অৱহেলাৰ কাৰণে সেই সম্পদ ক্ৰমাগত হেৰাইছে যেন লাগিছে। বিশেষকৈ গীত বাদ্যৰ বিষয়ে আমি নিচলা হোৱা গৈছে। পৰম্পৰা

মতে গায়ন পদ্ধতিত এই বিদ্যা প্ৰচলিত আছিল, এনে পৰম্পৰাতে শিৰ দি বহুজনেই ইয়াক নিষ্ঠাৰে সৈতে ৰক্ষা কৰিছিল, কিছুদিনৰ পূৰ্বলৈকে। পিচে, এতিয়া এনে নিষ্ঠাৰে পালন কৰিব পৰা ক্ষমতা আমি হেৰুৱাইছোঁ হ'বলা ! নহলেনো আজি শুদ্ধকৈ ৰাগ এটি দিবলৈ আৰু শুদ্ধ বোলেৰে এখন বাজনা বজাবলৈ অভাৱ হ'ব পাৰেনে ?''

গোস্বামীদেৱ আছিল সঁচা অৰ্থত এজন কলাকাৰ। তেওঁৰ সাজপোচাক, ব্যৱহাৰপাতিত, সত্ৰীয়া গীত-বাদ্য পৰিবেশনত আছিল কলাসন্মত ৰুচিৰ পৰিচয়। তাল, খোল, মৃদঙ্গ, মঞ্জিৰা, নাগাৰা, ডবা - এই সকলোবোৰ বাদ্য বজোৱাত তেওঁ পাৰ্গত আছিল। ইয়াৰ উপৰি নাম-গুণ, পাঠ-প্ৰসঙ্গ, গীত-মাত, নৃত্য-ভাওনা এই সকলোবোৰতে তেওঁৰ পাণ্ডিত্য প্ৰকাশ পাইছিল। সত্ৰীয়া বাদ্যযন্ত্ৰৰ উপৰি তবলা, বেহেলা আদিও তেওঁ ৰঙ্গমঞ্চত পৰিবেশন কৰিছিল।

১৯৪১-৪২ চনত কমলা প্ৰসাদ আগৰৱালাৰ সৈতে লগ হৈ গোস্বামীদেৱে তেজপুৰৰ বৰবাকৰিত সাতচুবুৰীৰ ৰাইজৰ ভাওনা নতুন পদ্ধতিৰে আয়োজন কৰি এক অভিলেখ সৃষ্টি কৰিছিল। একেসময়তে সাতখন ভাওনা পৰিবেশন কৰাটো তেজপুৰৰ মঞ্চত নতুন সংযোজন আছিল আৰু তেজপুৰ অঞ্চলত ই এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰিছিল। ইয়াৰ জৰিয়তে তেওঁ ভিন্ ভিন্ গাঁৱৰ লোকৰ মাজত সংহতি সাধন কৰিব পাৰিছিল।

অসম সঙ্গীত নাটক অকাডেমীৰ তেওঁ জন্ম লগ্নৰে পৰা কাৰ্য্যকৰী সদস্য মনোনীত হৈছিল। ১৯৬০ চনত আকাশবাণী গুৱাহাটী কেন্দ্ৰত 'কেলি গোপাল নাট' অভিযোজনাৰ দ্বাৰা তেওঁ অনাতাঁৰ অঙ্কীয়া নাটৰ সূচনা কৰে। ১৯৬১ চনত অসম সঙ্গীত নাটক অকাডেমীয়ে খোল বাদ্যত বিশেষ দক্ষতা আৰু তাল সম্পৰ্কীয় জ্ঞানৰ বাবে তেওঁক বাৰ্ষিক পুৰস্কাৰ প্ৰদান কৰে।

সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গবেষণাৰ বাবে তেওঁ নিজ সত্ৰ নিকামূলত এটা সাংস্কৃতিক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰে। এই কেন্দ্ৰৰ যোগেদি স্থানীয় আৰু পাহাৰীয়া আপাটানি, নিশি আদি ছাত্ৰসকলক সত্ৰীয়া সংস্কৃতিৰ জ্ঞান দি বিভিন্ন বিষয়ত পাৰদৰ্শী কৰি তুলিছিল। ৰাষ্ট্ৰীয় সঙ্গীত নাটক অকাডেমীৰ



বাৰ্ষিক বঁটাৰে তেওঁ ১৯৬৯ চনত সন্মানিত হৈছিল। এই পুৰস্কাৰ তেওঁক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ১৯৭০ চনৰ ২৬ ফেব্ৰুৱাৰীত প্ৰদান কৰে।

১৯৬৯ চনত অসম সাহিত্য সভাই বৰপেটা অধিবেশনত তেওঁক সাংস্কৃতিক শাখাৰ উদ্বোধকৰ সন্মান যাচে। সেই সভাত তেওঁ সাহিত্য সভা আৰু ৰাইজৰ পৰা সম্বৰ্দ্ধনা লাভ কৰে।

অসমৰ বাবে ৰহণীয়া সংস্কৃতিৰ উন্নয়ন সম্পৰ্কে তেওঁৰ মত আছিল এনেধৰণৰ - ''পৰ্বত প্ৰান্তৰকে ধৰি বিভিন্ন অঞ্চলত বিভিন্ন জাতি উপজাতি আৰু বিভিন্ন গোষ্ঠীৰ বিভিন্ন কলা কৃষ্টিও বৰ্ত্তি আছে। এই সকলোবোৰকে সুৰুচিপূৰ্ণ ভাৱে সজাই পৰাই সমাজৰ আগলৈ আনিব পৰাটোও বৰ জৰুৰী কথা। ইফালে চাহবাগিছাৰ বনুৱাকে ধৰি অসমৰ শিল্পাদিত কাৰ্য্যনিৰ্বাহ কৰি থকা বনুৱা সকলৰ সংখ্যাও লেখত ল'বলগীয়া। সিবিলাকৰ সাংস্কৃতিক দিশৰ কাৰ্য্যসমূহৰো কেনেকৈ উত্তৰোত্তৰ উৎকৰ্ষ সাধন কৰিব পাৰি তাৰ প্ৰতিও দৃষ্টি ৰখাটো অন্যতম কৰ্ত্তব্য''। কেৱল সত্ৰীয়া সংস্কৃতিয়েই নহয় সমগ্ৰ অসমৰ সমগ্ৰ জাতি উপজাতিৰ সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠা বৃহৎ অসমীয়া সংস্কৃতি উদ্ভাসিত কৰি ৰাখিবলৈ তেওঁ আজীৱন পুৰুষাৰ্থ কৰিছিল।

সাহিত্য চৰ্চাত বাল্যকালৰ পৰা ৰাপ থকা গহনচন্দ্ৰ গোস্বামীদেৱে ধৰ্মীয়, সাংস্কৃতিক আৰু ৰাজনৈতিক - এই তিনিটা ধাৰাত সাহিত্য ৰচনা কৰিছিল। মাজগাঁও ছাত্ৰ সভাৰ 'নিজৰা' নামৰ আলোচনী খনতো তেওঁৰ দায়িত্ব আছিল। তেওঁৰ কেতবোৰ প্ৰবন্ধ 'জনমভূমি' কাকত আৰু শ্ৰীমন্ত, সঙ্কেত, সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ আদিত প্ৰকাশ পাইছিল। তদুপৰি 'ভক্তিসাৰ' (অপ্ৰকাশিত) নামৰ এখন বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয় গ্ৰন্থ, তেজপুৰৰ স্বাধীনতা যুঁজৰ চমু বতৰা' (পুস্তিকা), 'স্বাধীনতা যুঁজৰ সোঁৱৰণী' (দুটা খণ্ড) ৰাসতত্ব (অপ্ৰকাশিত) আদি গ্ৰন্থ তেওঁৰ সাহিত্যিক জীৱনৰ উৎকৃষ্ট ফচল।

অসম সাহিত্য সভাৰ তেওঁ আজীৱন সভ্য, তেজপুৰ সাহিত্য সভাৰ দীৰ্ঘকালৰ কাৰণে সভাপতি, তেজপুৰ সাহিত্য সভা ভবন নিৰ্মাণত সক্ৰিয় সহযোগিতা, ১৯৭০ চনত সাহিত্য সভাৰ ফালৰ পৰা ৰাজহুৱা সম্বৰ্দ্ধনা আদিয়ে গোস্বামীদেৱৰ সাহিত্যৰ লগত থকা নিবিড় সম্বন্ধৰ কথা ব্যক্ত কৰে। উল্লেখযোগ্য যে তেওঁৰ ৰচনাৰ ভঙ্গী বা ঠাঁচ হৈছে সম্পূৰ্ণ ভকতীয়া।

তেজপুৰৰ ঐতিহ্যমণ্ডিত অসমীয়া ক্লাৱৰ সৈতেও গহনচন্দ্ৰ গোস্বামী জড়িত আছিল। বিশেষকৈ অসমীয়া ক্লাৱৰ সংকটৰ সময়ত, ক্লাৱটো উদ্ধাৰ কৰাৰ ক্ষেত্ৰত তেখেতৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। ১৯৩৭ চনত যেতিয়া 'অসমীয়া ক্লাৱ'ৰ ভৱনটো কংগ্ৰেছৰ কাৰ্য্যালয় হিচাপে চলাবলৈ কংগ্ৰেছ কৰ্তৃপক্ষক দিয়া হৈছিল তেতিয়া কংগ্ৰেছৰ সভাপতি আছিল গহনচন্দ্ৰ গোস্বামী আৰু অসমীয়া ক্লাৱৰ সম্পাদক আছিল প্ৰয়াত মহীকান্ত দাস। দুয়োটা অনুষ্ঠানৰ মাজত হোৱা চুক্তি মৰ্মে ক্লাৱৰ ভৱনটো ব্যৱহাৰৰ বাবে কংগ্ৰেছক দিয়া হয়। স্পষ্ট ভাবে চুক্তিত কোৱা হৈছিল ''ক্লাৱে যেতিয়াই বিচাৰিব মাটি ঘৰ কংগ্ৰেছে অসমীয়া ক্লাৱক ঘূৰাই দিব''। কিন্তু স্বাধীনতাৰ পৰবৰ্ত্তী সময়ত কংগ্ৰেছ দলে ক্লাৱ ঘৰ এৰি দিবলৈ অস্বীকাৰ কৰাত ক্লাৱৰ তৰফৰ পৰা কাছাৰীত গোচৰ তৰিবলগীয়া হয়। গোচৰ তৰাৰ আগতে ক্লাৱৰ ফালৰ পৰা কেইবাবাৰো কংগ্ৰেছৰ বিষয়ববীয়াৰ সৈতে আলোচনা কৰা হয়। ১৯৭৭ ৰ জুলাইত এই সংক্ৰান্তত প্ৰয়াত দুলাল ভট্টাচাৰ্য্যৰ ঘৰত এখন সভা বহিছিল। য'ত গহনচন্দ্ৰ গোস্বামী, ̐ কমলা প্ৰসাদ আগৰৱালা, ̐ যোগেন ভট্টাচাৰ্য্য, তৰুণ শৰ্মা, ̐ কুশ শৰ্মা আদি উপস্থিত আছিল। সেই সভাত গহনচন্দ্ৰ গোস্বামীয়ে বলিষ্ঠ ভাবে দাঙি ধৰিছিল যে অসমীয়া ক্লাৱ ঘৰ কংগ্ৰেছক সাময়িক ভাবে চলাবলৈ দিয়াৰ সময়ত তেখেতেই কংগ্ৰেছৰ সভাপতি আছিল আৰু তিনিটা চৰ্তৰ ভিত্তিত কংগ্ৰেছৰ কাৰ্য্যালয় চলাবলৈ দিছিল। তেখেতৰ বক্তব্যৰ ভিত্তিতেই উক্ত সভাত দুয়োপক্ষৰ মাজত এখন চুক্তি হৈছিল আৰু উপস্থিত সকলোৱেই তাত স্বাক্ষৰ কৰিছিল। পিছত সেই চুক্তি কংগ্ৰেছে উলংঘা কৰে। ফলত ক্লাৱে গোচৰ তৰিবলৈ বাধ্য হৈছিল। এই গোচৰত ক্লাৱৰ পক্ষে দিয়া সাক্ষীৰ অন্যতম ব্যক্তি আছিল গহনচন্দ্ৰ গোস্বামী। শেষত ন্যায়ালয়ে অসমীয়া ক্লাৱৰ পক্ষে ন্যায় প্ৰদান কৰে। ফলত প্ৰায় ৪০ বছৰ কংগ্ৰেছে অধিগ্ৰহণ কৰি থকা অসমীয়া ক্লাৱৰ মাটি-ঘৰ ১৯৭৭ চনৰ ১৮ ডিচেম্বৰত ক্লাৱৰ কাৰ্য্যনিৰ্ব্বাহকে চমজি লয়। ইয়াৰ পিছতে ১৯৭৮ চনৰ ১৫ জানুৱাৰী (মাঘ বিহু)ৰ দিনা আনুষ্ঠানিক ভাৱে গহনচন্দ্ৰ গোস্বামী দেৱে ক্লাৱৰ দুৱাৰ মুকলি কৰে। এনেদৰে দ্বিতীয় বাৰ ক্লাৱৰ শুভ উদ্বোধন কৰি তেখেতে কৈছিল ''পদ্মনাথ গোহাঞি বৰুৱাই অসমীয়া ক্লাৱ আৰু মাটি কংগ্ৰেছক



ব্যৱহাৰ কৰিবলৈ দিয়াৰ সময়ত ময়েই কংগ্ৰেছ সভাপতি আছিলোঁ। তেখেতে আমাক কৈছিল গোসাঁইদেউ, চাব যাতে ক্লাৱটো জীয়াই থাকে আৰু যথা সময়ত আকৌ ক্লাৱৰ গৰাকীয়ে ঘূৰাই পায়।'' [অসমীয়া ক্লাৱ (চমু বুৰঞ্জী), কুশ শৰ্মা, পৃষ্ঠা ১৬] এনেদৰে অসমীয়া ক্লাৱৰ পুনৰোদ্ধাৰৰ ক্ষেত্ৰত গহনচন্দ্ৰ গোস্বামীয়ে ঐতিহাসিক বৰঙণি আগবঢ়াইছিল। ক্লাৱে আজিও তেখেতৰ সেই ভূমিকাক শ্ৰদ্ধাৰে সোঁৱৰে।

ব্যৱহাৰত অমায়িক, সৰবৰহী গোস্বামীদেৱ আছিল যিকোনো বয়সৰ যি কোনো ব্যক্তিকে আকৰ্ষণ কৰিব পৰা 'সভা শুৱনি পুৰুষ' । দৃঢ়মনা, আত্মবিশ্বাসী, উদাৰ আৰু ত্যাগী গোস্বামীদেৱ আছিল প্ৰয়োজনত অতি খঙাল, প্ৰয়োজনত ৰসিক। অধ্যয়ণশীল মনৰ গৰাকী গোস্বামীদেৱে উচ্চ চিন্তা, সাহিত্য চৰ্চ্চা, সাংস্কৃতিক ভাবনা, সমাজৰ হিতকৰ সংগঠনৰ ভাবনাতে ব্যস্ত আছিল। বাতৰিকাকত, আলোচনী, অন্যান্য গ্ৰন্থ আদি নিয়মিত ভাবে পঢ়িছিল আৰু আৱশ্যকীয় কথাবোৰ টুকি ৰাখিছিল। চিঠি পত্ৰ লিখাত বা আনৰ চিঠিৰ উত্তৰ দিয়াত তেওঁ নিয়মীয়া আছিল। ঘৰুৱা কাম যেনে খেতি-বাতি, গো-পালন, মৌ পালন, বাঁহ বেতৰ কাম, কাঠৰ কামৰ লগতে ৰুচিকৰ ৰন্ধা-বঢ়া আৰু পৰিপাটি পৰিবেশনত তেওঁ পাকৈত আছিল।

জীৱনৰ অন্তিম সময়তো বিচনাত পৰি থাকিয়েই (মৃত্যুৰ আগতে প্ৰায় এসপ্তাহ কাল বিচনাত থাকিব লগা হৈছিল) নামঘৰৰ প্ৰত্যেক প্ৰহৰৰ নামতে তেওঁ সভক্তিৰে হাতযোৰ কৰি প্ৰণাম জনাইছিল। অন্তিম দিনাখনো (৪মাঘ, ১৮ জানুৱাৰী ১৯৭৯, বৃহস্পতিবাৰ) নামঘৰলৈ যোৱাৰ প্ৰবল ইচ্ছা প্ৰকাশ কৰিছিল যদিও সি সম্ভৱ নহ'ল। দুপৰীয়াৰ নামভাগ শেষ হৈ ডবাত কোব পৰাৰ লগে লগে বাৰ বাজি যোৱাত কৰ্মযোগী সত্ৰাধিকাৰ গৰাকীৰ দেহ নিথৰ হ'ল।

◆◆◆